Regional News Unit
All India Radio, Guwahati
0000000000

Date : 11-09-2024
Time : 0900 Hrs.

## ***Assamese Morning Bulletin***
## ***Headlines***

------------

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি গ্ৰেটাৰ নয়দাত ছেমিকন ইণ্ডিয়া ২০২৪ সন্মিলন মুকলি।

২। ব্ৰহ্মপুত্ৰ উপত্যকা সাৰ নিগমৰ পুনৰুজ্জীৱিতকৰণৰ বাবে নতুন দিল্লীত কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনৰ সৈতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ আলোচনা।

৩। গ্ৰামাঞ্চলত কেঁচা ঘৰ নাইকিয়া কৰিবলৈ ৰাজ্য চৰকাৰে লক্ষ্য নিৰ্ধাৰণ কৰিছে বুলি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ প্ৰকাশ।

৪। চাইবাৰ সুৰক্ষা অবিহনে দেশৰ বিকাশ সম্ভৱ নহয় বুলি গৃহমন্ত্ৰী অমিত শ্বাহৰ মন্তব্য।

*আৰু*

৫। পুৰুষৰ এছীয় চেম্পিয়নশ্বিপ হকী প্ৰতিযোগিতাৰ নিজৰ তৃতীয়খন খেলত ভাৰত আজি মালয়েছিয়াৰ মুখামুখি।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গ্ৰেটাৰ নয়দাত ছেমিকন ইণ্ডিয়া ২০২৪ সন্মিলন মুকলি কৰিব। এই তিনিদিনীয়া সন্মিলনৰ মূল বিষয়বস্তু হৈছে অৰ্ধপৰিবাহীৰ ভৱিষ্যৎ গঢ় দিয়া। সন্মিলনত ভাৰতক অৰ্ধপৰিবাহীৰ গোলকীয় কেন্দ্ৰ ৰূপে গঢ় দিয়াৰ উদ্দেশ্যে দেশে গ্ৰহণ কৰা অৰ্ধপৰিবাহী ৰণকৌশল আৰু নীতিৰ বিষয়ে আলোকপাত কৰা হ'ব। কালি নতুন দিল্লীত অৰ্ধপৰিবাহী কাৰ্যবাহীসকলৰ ঘূৰণীয়া মেজমেলত অধ্যক্ষতা কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে ভাৰতৰ বিবিধতাৰে ভৰা অৰ্ধপৰিবাহী যোগান শৃংখলাত বিশ্বাসী সহযোগী হোৱাৰ সামৰ্থ্য আছে। তেওঁ কয় যে অৰ্ধপৰিবাহীসমূহ ডিজিটীয় যুগৰ ভেটিস্বৰূপ আৰু এই উদ্যোগ বুনিয়াদী আৱশ্যকতাৰ আধাৰৰূপে পৰিগণিত হবলৈ বেছি সময় নাই। গণতন্ত্ৰ আৰু প্ৰযুক্তিয়ে একেলগে মানৱ জাতিৰ কল্যাণ সুনিশ্চিত কৰিব পাৰে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। শ্ৰীমোদীয়ে কয় যে ভাৰতে অৰ্ধপৰিবাহী খণ্ডত গোলকীয় দায়িত্ব অনুধাৱন কৰি এই দিশত অগ্ৰসৰ হৈছে। তেওঁ কেন্দ্ৰীয় চৰকাৰে এই ক্ষেত্ৰত অনুমেয় আৰু স্থিৰ নীতি ব্যৱস্থা অনুসৰণ কৰিব বুলি আশ্বাস প্ৰদান কৰে। শ্ৰীমোদীয়ে কয় যে চৰকাৰে মেক ইন ইণ্ডিয়া আৰু মেক ফৰ দ্য ৱৰ্ল্ড দৃষ্টিভঙ্গীত গুৰুত্ব আৰোপ কৰি প্ৰতিটো ক্ষেত্ৰত অৰ্ধপৰিবাহী উদ্যোগলৈ সহায়-সমৰ্থন আগবঢ়াই যাব।

0000000

ব্ৰহ্মপুত্ৰ উপত্যকা সাৰ নিগমক পুনৰ জীৱিতকৰণৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি নতুন দিল্লীত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনৰ সৈতে আলোচনাত মিলিত হয়। এই সাক্ষাতত মুখ্যমন্ত্ৰীগৰাকীয়ে গুৱাহাটীৰ কাষত এখন নতুন উপগ্ৰহীয় মহানগৰ নিৰ্মাণৰ বিষয়টো লৈয়ো বিত্তমন্ত্ৰীগৰাকীৰ সৈতে কথা পাতে। এই মহানগৰ নিৰ্মাণৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী শৰ্মাই কেন্দ্ৰীয় বিত্তমন্ত্ৰীগৰাকীৰ সমৰ্থন বিচাৰে আৰু পৰামৰ্শ গ্ৰহণ কৰে। শ্ৰীমতী সীতাৰমনক সাক্ষাতৰ পাছত সামাজিক মাধ্যমৰ এটা পোষ্টত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে তেওঁৰ এই সাক্ষাতৰ সুফলৰ বাৰ্তা ৰাজ্যবাসীয়ে অনাগত সময়ত জানিব পাৰিব। মুখ্যমন্ত্ৰী শৰ্মাই কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ, যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়াকো সাক্ষাৎ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ সৈতে মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ শ্ৰমিক কল্যাণ আৰু ক্ৰীড়া ক্ষেত্ৰৰ বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ৰ আলোচনা কৰে।

00000000

গ্ৰামাঞ্চলত কেঁচা ঘৰ নাইকীয়া কৰিবলৈ ৰাজ্য চৰকাৰে লক্ষ্য নিৰ্ধাৰণ কৰিছে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, খাদ্য, অসামৰিক যোগান, গ্ৰাহক পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে নগাঁৱত কালি এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰি এইদৰে কয়। নগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এই বৈঠকত মন্ত্ৰীগৰাকীয়ে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ অধীনত ৰূপায়িত বিভিন্ন আঁচনিৰ কাম-কাজৰ অগ্ৰগতিৰ খতিয়ান লয়। বৈঠকত প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীণ এমজিএনৰেগাৰ লগতে পঞ্চাদশ বিত্তীয় আয়োগৰ অধীনৰ কাম-কাজ, অমৃত সৰোবৰ আদি বিষয়ৰো পৰ্যালোচনা কৰা হয়। মন্ত্ৰী দাসে লোকনিৰ্মাণ বিভাগে কৰিব নোৱাৰা পঞ্চায়তৰ অধীনস্থ সৰু-সুৰা ৰাস্তাৰ কাম এম জি এনৰেগাৰ অধীনত কৰাৰ ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিয়ে। প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীণৰ অধীনত অসমে ২০ লাখ বাসগৃহ লাভ কৰা বুলি উল্লেখ কৰি তেওঁ কয় যে ইয়াৰে ১৯ লাখ ২০ হাজাৰ বাসগৃহ নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈছে। এইক্ষেত্ৰত নগাঁও জিলাৰ সাফল্যৰ হাৰ ৯৩ শতাংশ বুলি প্ৰকাশ কৰি মন্ত্ৰীগৰাকীয়ে জিলাখনত বাকী থকা গৃহ নিৰ্মাণৰ কাম ৩০ ছেপ্তেম্বৰৰ

ভিতৰত সম্পূৰ্ণ কৰাৰ বাবে বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে। তেওঁ এইক্ষেত্ৰত খণ্ড উন্নয়ন বিষয়া, পঞ্চায়ত সচিব আৰু বিভাগৰ কৰ্মচাৰীসকলে একত্ৰিত হৈ কাম কৰাত গুৰুত্ব দিয়ে। মন্ত্ৰী দাসে কয় যে প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীণৰ অধীনত ৰাজ্যখনে পুনৰ ১ লাখ ৭১ হাজাৰ ৫৯৩ টা গৃহৰ অনুমোদন লাভ কৰিছে। তেওঁ কয় যে ৰাজ্যখনৰ পঞ্চায়ত এলেকাসমূহত কেঁচা ঘৰ নাইকীয়া কৰাৰ বাবে চৰকাৰে কাম কৰি আছে। অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত 'এক জিলা, এক উৎপাদন' নীতিৰ অংশ হিচাপে নগাঁও জিলাত যিকোনো এবিধ বিশেষ সামগ্ৰী উৎপাদনত মন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে কয় যে খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগে অনাগত দিনত ২০ লাখ লোকৰ নাম ৰেচন কাৰ্ডত অন্তৰ্ভুক্তিৰ ব্যৱস্থা লৈছে। পঞ্চায়ত নিৰ্বাচন সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত মন্ত্ৰী দাসে কয় যে পঞ্চায়তৰ সমষ্টি পুনৰ নিৰ্ধাৰণৰ কাম চলি আছে আৰু ১৬ ছেপ্টেম্বৰত ইয়াৰ খচৰা প্ৰকাশ কৰা হ'ব। এই সন্দৰ্ভত কিবা ওজৰ-আপত্তি থাকিলে ২৬ ছেপ্টেম্বৰৰ ভিতৰত সংশ্লিষ্ট কৰ্তৃপক্ষৰ ওচৰত দাখিল কৰিব পাৰিব বুলিও তেওঁ উল্লেখ কৰে।

০০০০০০০০

তিনিদিনীয়া ভ্ৰমণসূচীৰে বৰাক উপত্যকাত উপস্থিত হোৱা কৃষি, পশুপালন, সীমান্ত সুৰক্ষা আৰু উন্নয়ন আদি বিভাগৰ মন্ত্ৰী অতুল বৰাই কালি হাইলাকান্দিত জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত জিলাখনত ৰূপায়ণ হৈ থকা বিভিন্ন আঁচনি আৰু প্ৰকল্প পৰ্যালোচনা কৰে। এই বৈঠকত মন্ত্ৰীগৰাকীয়ে চুবুৰীয়া ৰাজ্য মিজোৰামৰ সৈতে থকা সীমান্তৱৰ্তী অঞ্চলসমূহত শান্তি-শৃংখলা অটুট ৰখাৰ লগতে দুয়োখন ৰাজ্যৰ মাজত সমন্বয়ৰ এনাজৰী শক্তিশালী কৰাত গুৰুত্ব আৰোপ কৰে। সীমান্ত অঞ্চলত যাতে চৰকাৰী ভূমি বেদখল নহয়, সেই বিষয়ে জিলা প্ৰশাসনক দৃষ্টি ৰাখিবলৈ তেওঁ নিৰ্দেশ দিয়ে। বৈঠকত উপস্থিত থকা ৰাজ্য চৰকাৰৰ ৩৪ টা বিভাগৰ জ্যেষ্ঠ বিষয়াসকলক অসম্পূৰ্ণ হৈ থকা আঁচনিসমূহ নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ তেওঁ আহ্বান জনায়। ইয়াৰ পাছতে মন্ত্ৰীগৰাকীয়ে কৰিমগঞ্জ জিলা পৰিদৰ্শন কৰে। জিলাখনত উপস্থিত হৈ তেওঁ জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকৰ অন্তত শ্ৰী বৰাই সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা মতে কৰিমগঞ্জ জিলাত বানৰ ফলত ২০০০ হেক্টৰ কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। সঠিক তদন্তৰ অন্তত চলিত মাহৰ ভিতৰত বান ক্ষতিগ্ৰস্তসকলক ক্ষতিপূৰণৰ ধন চৰকাৰে আদায় কৰিব বুলিও তেওঁ প্ৰকাশ কৰে। বিভাগীয় বিষয়াসকলক প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা সন্দৰ্ভত সজাগতা সভাৰ আয়োজনক কৰিবলৈও তেওঁ নিৰ্দেশ দিয়ে।

০০০০০০০০

নিযুক্তি পৰীক্ষাত অসৎ উপায় প্ৰতিৰোধ তথা স্বচ্ছ আৰু নিকা নিযুক্তি প্ৰক্ৰিয়া নিশ্চিতকৰণৰ অৰ্থে অসম চৰকাৰে অসম লোক পৰীক্ষা (নিযুক্তি প্ৰক্ৰিয়াত অসৎ উপায় প্ৰতিৰোধী ব্যৱস্থা) আইন ২০২৪ গ্ৰহণ কৰিছে। এই আইনৰ উদ্দেশ্য হৈছে নিয়োগৰ বাবে অনুষ্ঠিত ৰাজ্য চৰকাৰ, স্বায়ত্ত শাসিত সংস্থা অথবা কৰ্তৃপক্ষ, পৰিষদ অথবা নিগমৰ অধীনৰ পৰীক্ষাত স্বচ্ছতা নিশ্চিতকৰণ, পৰীক্ষাৰ পূৰ্বে প্ৰশ্নকাকত ফাদিল কৰা, নিজৰ লগত ৰখা, বিক্ৰী কৰা, সমাধান কৰা, প্ৰশ্নকাকত খোলা আৰু পৰীক্ষাৰ সময়ত সহায় কৰা আদিৰ দৰে অসৎ উপায় নিষিদ্ধকৰণ, পৰীক্ষা প্ৰক্ৰিয়া পৰিচালনাৰ ক্ষেত্ৰত স্বচ্ছতা তথা নিৰপেক্ষতাৰ প্ৰতিশ্ৰুতিৰ লগতে প্ৰশ্নকাকত সম্পৰ্কীয় গোপন তথ্যৰ প্ৰচাৰ প্ৰতিৰোধ। এই আইন অমান্য কৰা পৰিক্ষাৰ্থীসকলৰ ক্ষেত্ৰত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। পৰীক্ষাত নকল কাৰ্যত লিপ্ত পৰিক্ষাৰ্থীসকলক তিনি বছৰ পৰ্যন্ত কাৰাদণ্ড বিহাৰ লগতে ন্যূনতম ১ লাখ টকা জৰিমনা বিহা হ'ব। কুচক্ৰ আৰু নকল কাৰ্যত লিপ্ত পৰিক্ষাৰ্থীসকলক ১০ বছৰ পৰ্যন্ত কাৰাদণ্ড আৰু ১০ কোটি টকা পৰ্যন্ত জৰিমনা বিহা হ'ব। ইফালে, নকল কাৰ্যত লিপ্ত বুলি প্ৰমাণিত হ'লে ভৱিষ্যতে পৰিক্ষাৰ্থীয়ে দুবছৰৰ বাবে কোনো নিযুক্তি পৰীক্ষা দিব নোৱাৰাৰ ব্যৱস্থা কৰা হৈছে। আনহাতে, কুচক্ৰ আৰু নকল কাৰ্যত জড়িত পৰীক্ষকক ১০ বছৰ পৰ্যন্ত কাৰাদণ্ড আৰু ১০ কোটি টকা পৰ্যন্ত জৰিমনা বিহাৰ লগতে পৰীক্ষণ কৰ্তৃপক্ষৰ সৈতে কুচক্ৰত জড়িত থকাসকলৰ অসৎ পন্থাৰে আৰ্জিত সা-সম্পত্তি বাজেয়াপ্তকৰণ কৰা হ'ব। ঠিক সেইদৰে পৰীক্ষাৰ ব্যৱস্থাপক যদি দোষী সাব্যস্ত হয় তেতিয়া হ'লে বিশেষ আদালতে নিৰ্ধাৰণ কৰি দিয়া অনুসৰি পৰীক্ষা বিষয়ক সকলো খৰচ সংশ্লিষ্ট সন্থাটোৰে বহন কৰাৰ লগতে ইয়াক নিষিদ্ধ ঘোষণা কৰা হ'ব।

০০০০০০০০

চাইবাৰ সুৰক্ষা অবিহনে দেশৰ বিকাশ এই মুহূৰ্তত সম্ভৱ নহয় বুলি গৃহমন্ত্ৰী অমিত শ্বাহে মত প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি চাইবাৰ অপৰাধ সমন্বয় কেন্দ্ৰ আই ফ'ৰ চিৰ প্ৰথম প্ৰতিষ্ঠা দিৱস উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয় যে প্ৰযুক্তি মানৱ জীৱনৰ বাবে আশীৰ্বাদ হিচাপে বিবেচিত হৈছে যদিও বিভিন্ন সময়ত প্ৰযুক্তিয়ে মানুহৰ বিপদো মাতি আনিছে। তেনে ক্ষেত্ৰত চাইবাৰ সুৰক্ষা ৰাষ্ট্ৰৰ সুৰক্ষাৰ গুৰুত্বপূৰ্ণ অংশ হৈ পৰিছে বুলি তেওঁ কয়।

ভইচ কাষ্ট

দেশৰ বিভিন্ন ক্ষেত্ৰত ইণ্টাৰনেট সেৱাৰ বৰ্ধিত ব্যৱহাৰৰ বিষয়ে আলোকপাত কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, প্ৰতিদিনে দেশত ডিজিটেল লেনদেন আৰু ডিজিটেল তথ্যৰ ব্যৱহাৰ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত চাইবাৰ সুৰক্ষাৰ সৈতে জড়িত লোকসকলৰ দায়িত্বও বৃদ্ধি পাইছে। শেহতীয়াকৈ কাৰ্যকৰী হোৱা ৩ খন নতুন ফৌজদাৰী আইনত চাইবাৰ অপৰাধৰ প্ৰত্যাহ্বান ৰোধ কৰাৰ বাবে পৰ্যাপ্ত ব্যৱস্থা ৰখা হৈছে বুলি তেওঁ উল্লেখ কৰে। চাইবাৰ অপৰাধ সমন্বয় কেন্দ্ৰই চাইবাৰ সুৰক্ষা সন্দৰ্ভত সজাগতা সৃষ্টিৰ বাবে ৰাষ্ট্ৰজোৱা অভিযান আৰম্ভ কৰাৰ লগতে সকলো ৰাজ্য চৰকাৰক এই অভিযানত অংশ ল'বলৈ আহ্বান জনায়।

০০০০০০০

ভাৰতীয় জনতা পাৰ্টীৰ ৰাষ্ট্ৰজোৰা সদস্যভৰ্তি অভিযানৰ অধীনত মাত্ৰ ৮ দিনৰ ভিতৰতে ২ কোটিৰো অধিক নতুন সদস্য দলত অন্তৰ্ভুক্ত হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২ ছেপ্তেম্বৰত সদস্য-পদ গ্ৰহণ কৰি এই অভিযানৰ আৰম্ভ কৰিছিল। বিজেপিৰ সাধাৰণ সম্পাদক বিনোদ টাওড়েই এটা বিবৃতিযোগে কৈছে যে দলৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু দলৰ সাংগঠনিক সাধাৰণ সম্পাদক এল সন্তোষে সুকীয়া সুকীয়াকৈ উত্তৰ প্ৰদেশ, বিহাৰ, ছত্তিশগড়, মধ্য প্ৰদেশ, ওড়িশা, কৰ্ণাটক, তামিলনাডু, গুজৰাট আৰু ৰাজস্থানৰ কাৰ্যকৰ্তাৰ সৈতে সদস্যভৰ্তি অভিযানৰ পৰ্যালোচনা চলাইছে। শ্ৰীটাওড়েই কয় যে বৈঠকত মহিলা, সীমান্তৱৰ্ত্তী গাঁও আৰু দুৰ্গম পাহাৰীয়া অঞ্চলসমূহলৈ সদস্য-ভৰ্তি অভিযান সফলতাৰে সম্প্ৰসাৰিত কৰাৰ বাবে ল'বলগীয়া ৰণনীতিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। তেওঁ লগতে কয় যে অন্য ৰাজ্যসমূহৰ সৈতেও শীঘ্ৰে আলোচনা অনুষ্ঠিত হ'ব।

০০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম, মেঘালয় আৰু অৰুণাচল প্ৰদেশৰ ঠাইবিশেষে অহা ৬ দিনত ধাৰাসাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। এই সময়ছোৱাত নাগালেণ্ড, মণিপুৰ, মিজোৰাম, মিজোৰাম আৰু ত্ৰিপুৰাত বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বিভাগটোৱে প্ৰকাশ কৰিছে। বতৰ বিজ্ঞান বিভাগে লগতে ছিকিম, পশ্চিম বংগ আৰু বিহাৰত ১৪ ছেপ্তেম্বৰ পৰ্যন্ত প্ৰৱল বৰষুণ হ'ব পাৰে বুলি সম্ভাৱনা প্ৰকাশ কৰিছে।

০০০০০০০০

শিৱসাগৰ জিলাৰ কৃষকসকলৰ আয় বৃদ্ধিৰ উদ্দেশ্যে উচ্চ মূল্যৰ শস্যৰ খেতিৰ বাবে জিলাখনত কম খৰচী পলি হাউছ কৃষি ব্যৱস্থাৰ সম্প্ৰসাৰণ কৰা হৈছে। জিলা আয়ুক্ত আদিত্য বিক্ৰম যাদৱে কালি আমগুৰিত এই পদ্ধতিৰে কৃষি কৰ্ম আৰম্ভ কৰা এটা পলি হাউছত পুলি ৰোপণ কৰি কৃষি কৰ্মৰ শুভাৰম্ভ কৰে। জিলাখনত কৃষি বিভাগৰ উদ্যোগত ৫৫ টা পলি হাউছ নিৰ্মাণ কৰা হৈছে।

০০০০০০০০

যোৱাবাৰৰ চেম্পিয়ন ভাৰত আজি চীনৰ হুলুনবুইৰত অনুষ্ঠিত পুৰুষৰ এছীয় চেম্পিয়নশ্বিপ হকী প্ৰতিযোগিতাৰ নিজৰ তৃতীয়খন খেলত মালয়েছিয়াৰ সন্মুখীন হ'ব। চাৰিবাৰকৈ খিতাপ দখল কৰা ভাৰতে ইতিপূৰ্বে আয়োজক দেশ চীনক ৩-০ আৰু জাপানক ৫-১ গ'লত পৰাস্ত কৰিছে। হৰমনপ্ৰীত সিং নেতৃত্বাধীন ভাৰতীয় দলটো সম্প্ৰতি ৬ পইণ্টেৰে পইণ্ট তালিকাৰ শীৰ্ষত আছে। ভাৰতৰ সুখজিৎ সিং আৰু কোৰিয়া গণৰাজ্যৰ জিহুন য়াঙে প্ৰতিযোগিতাত যুটীয়াভাৱে  সৰ্বাধিক তিনিটাকৈ গ'ল দিয়ে। প্ৰতিযোগিতাৰ  ৰাউণ্ড ৰবীন পৰ্যায়ৰ শীৰ্ষৰ চাৰিটা দলৰ মাজত ১৬ ছেপ্তেম্বৰত ছেমি ফাইনেল অনুষ্ঠিত হ'ব। ১৭ ছেপ্তেম্বৰত ফাইনেল খেল খেলোৱা হ'ব।

০০০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত **অসমীয়া খবৰ** কাকতে অসমত এনকাউণ্টাৰক লৈ উচ্চতম ন্যায়ালয়ত শুনানি শীৰ্ষক এটা বাতৰি প্ৰথম পৃষ্ঠাৰ প্ৰধান বাতৰি হিচাপে প্ৰকাশ কৰাৰ বিপৰীতে একেটা বাতৰিকে **দৈনিক জনমভূমি** কাকতে অসমৰ ভুৱা এনকাউণ্টাৰক লৈ আয়োগ গঠন কৰিব উচ্চতম ন্যায়ালয়ে, **দৈনিক অসম** কাকতে অসমৰ ভুৱা এনকাউণ্টাৰৰ তদন্তৰ বাবে আয়োগৰ পোষকতা, **অসমীয়া প্ৰতিদিন** কাকতে ৰাজ্যত সংঘটিত ভুৱলা সংঘৰ্ষক লৈ ছুপ্ৰিম ক'ৰ্টত শপতনামাত বিস্ফোৰক তথ্য, **দৈনিক অগ্ৰদূত** কাকতে ৰাজ্যত সংঘটিত আৰক্ষীৰ তথাকথিত সংঘৰ্ষক লৈ দাখিল হোৱা ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ শুনানিত উচ্চতম ন্যায়ালয়ৰ মন্তব্য শিৰোনামেৰে প্ৰকাশ কৰিছে। **নিয়মীয়া বাৰ্তা** কাকতে শিক্ষামন্ত্ৰীৰ তথ্যত উন্মোচিত উদ্বেগজনক ছবি - প্ৰাথমিক পৰ্যায়ত হ্ৰাস ১ লাখ ২৭ হাজাৰ শিক্ষাৰ্থী, **আমাৰ অসম** কাকতে ওলমি ৰ'ল মাজুলী দলং, কাম এৰি ঘৰাঘৰি গ'লগৈ ঠিকাদাৰ-শ্ৰমিক, **দি আছাম ট্ৰিবিউন** কাকতে Centre sends more CRPF personnel to Manipur. **দা ছেণ্টিনেল** কাকতে CM seeks Sitharaman's support. **দা টাইম্‌ছ অব্ ইণ্ডিয়া** কাকতে Curfew, mobile net ban back in Manipur as clashes continue.

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে - ইংৰাজী-স্পেনিছ ভাষাত সংকলিত নীলমণি ফুকনৰ কবিতা, অৰাজকতা ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ত কি ঘটিছে, পদ্মাৰ ইলিছ বন্ধ কৰি প্ৰতিশোধ ঢাকাৰ, মাৰ্ঘেৰিটাত বিশ্ব অভিলেখ গঢ়াৰ নামত চৰকাৰী ধনৰ অপচয়, ৩ লাখ ৫০ হাজাৰ অমৃত বৃক্ষৰ মৃত্যু, প্ৰথমটো ব্যক্তিগত মানৰ মহাকাশ অভিযানেৰে ইতিহাস ৰচনা স্পেছ এক্সৰ, আহি আছে পৃথিৱীত মহাপ্ৰলয় সৃষ্টি কৰিব পৰা গ্ৰহাণু এপ'ফিচ' ইত্যাদি।  এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০

**সমাপ্ত**